**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-JULY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

---

## HEADLINE

১। ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত। এতিয়াও ৫ লাখ ২৪ হাজাৰ ৭৩৩ জন লোক ক্ষতিৰ সন্মুখীন।

২। কেন্দ্ৰীয় চৰকাৰৰ আন্তঃমন্ত্ৰালয় দলৰ চৰাইদেউ জিলাৰ বান পৰিস্থিতিৰ পৰ্যালোচনা।

৩। পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উচ্চ ক্ষমতা সম্পন্ন কাৰ্যবাহিনী গঠনৰ কথা ঘোষণা।

৪। লোকসভাত আজি লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক ২০২৬ উত্থাপন।

৫। ৰাজ্যৰ ঐতিহাসিক স্থানসমূহৰ গৰিমা আৰু ঐতিহ্য সুৰক্ষিত ৰাখি সকলো প্ৰকল্প নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ। **আৰু**

৬। গ্লাছগ'ত অনুষ্ঠিত কমনৱেল্থ গেমছত মীৰাবাঈ চানুৰ ভাৰোত্তোলনত দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন।

oooooo

ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও বানৰ বিভীষিকা অব্যাহত আছে। এতিয়াও ৯ খন জিলাৰ ২৪টা ৰাজহ চক্ৰৰ ৭৬৩ খন গাঁও বানত বুৰ গৈ আছে। বানত সম্প্ৰতি ৫ লাখ ২৪ হাজাৰ ৭৩৩ জন লোক ক্ষতিৰ সন্মুখীন হৈছে। বানত কালি চৰাইদেউ জিলাত আৰু দুজন লোকে প্ৰাণ হেৰুৱায়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬৮ হৈছেগৈ। ৰাজ্যখনত এতিয়াও ৩৭ হাজাৰ ৭২৪ জন লোকে সাহায্য শিবিৰত আশ্ৰয় লৈ আছে। ঠায়ে ঠায়ে পানী কমিছে যদিও সৰ্বাধিক ক্ষতিগ্ৰস্ত চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ বিস্তীৰ্ণ এলেকাৰ বাসগৃহসমূহো পানী, বোকা আৰু পলসৰ তলত আছে। খাদ্য আৰু বাসস্থানৰ সমস্যাৰ লগতে পানী শুকুওৱাৰ পাছত দেখা দিব পৰা ৰোগক লৈও জনসাধাৰণ উদ্বিগ্ন হৈছে। স্বাস্থ্য বিভাগে ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ জনসাধাৰণৰ সুবিধাৰ বাবে পৰ্যাপ্ত ঔষধ মজুত ৰাখিছে আৰু স্বাস্থ্যকৰ্মী নিয়োগ কৰিছে বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰিছে। তদুপৰি স্বাস্থ্যশিবিৰ মুকলি কৰি বানৰ কবলত পৰা লোকসকলক বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰিছে। বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পুনৰ টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে কথা পাতি বান পৰিস্থিতিৰ বিতংভাৱে বুজ লয়। শ্ৰীসোণোৱালে এই সন্দৰ্ভত কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যৰ বান পৰিস্থিতি জোৰা মৰাৰ বাবে সকলো সাহায্য আগবঢ়াব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশ্বাস দিছে। এই অভূতপূৰ্ব বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকতো আলোচনা হৈছে বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰীৰ নিৰ্দেশমৰ্মে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ এটা আন্তঃমন্ত্ৰালয়ৰ দল ৰাজ্যত উপস্থিত

হৈ ক্ষতিগ্ৰস্ত জিলাসমূহৰ দ্ৰুতগতিত পৰিস্থিতিৰ মূল্যায়ন আৰম্ভ কৰিছে বুলি শ্ৰীসোণোৱালে জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভযোগে বান পৰিস্থিতিক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, যে চৰাইদেউ, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ ১৯টা ৰাজহ চক্ৰৰ এহেজাৰ ৪০ খন গাঁও বানৰ কবলত পৰিছে। ড° শৰ্মাই বানত অন্যান্য ক্ষয়-ক্ষতিৰ বিষয়েও প্ৰকাশ কৰে—

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত মন্ত্ৰী-বিধায়কসকলে উদ্ধাৰ আৰু সাহায্য অভিযান তদাৰক কৰি থকাৰ উপৰি জিলা প্ৰশাসন, বিভিন্ন সংগঠন, স্বেচ্ছাসেৱক আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লোকে সক্ৰিয়ভাৱে সাহায্য অভিযানত অংশ লৈছে। সাহায্য অভিযানৰ অংশ হিচাপে চৰকাৰে ইতিমধ্যে ১৪ হাজাৰ ৪০০ কুইণ্টল চাউল, দুহেজাৰ ২৩৬ কুইণ্টল দাইল, ৫৮ হাজাৰ ৯৭৫ লিটাৰ মিঠাতেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ৰাজ্যখনৰ বান পৰিস্থিতি সন্দৰ্ভত কথা পতাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতেও এই সন্দৰ্ভত যোগাযোগ ৰক্ষা কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

**ৰাইট (চি এম)**

শিৱসাগৰৰ জিলা আয়ুক্ত মৃদুল যাদৱে শেহতীয়া বানে সৃষ্টি কৰা পৰিস্থিতি বিগত ৫০ বছৰৰ ভিতৰতে অতি ভয়াৱহ বুলি উল্লেখ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি অনুষ্ঠিত এখন সংবাদমেলত শ্ৰীযাদৱে কয়, যে বানত শিৱসাগৰ জিলাৰ ৩০১ খন গাঁৱৰ প্ৰায় ৪ লাখ লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বানত বৰ্তমানলৈকে ৩০ জন লোকৰ মৃত্যু হৈছে আৰু ৭ জন লোক এতিয়াও সন্ধানহীন হৈ আছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**ৰাইট (মৃদুল যাদৱ)**

ইপিনে কেন্দ্ৰীয় জল আয়োগৰ তথ্য অনুসৰি নাগালেণ্ডৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ পানী নিষ্কাশনৰ চাৰিওখন গে'ট ২৩ জুলাইৰ পৰা খুলি দিয়াৰ পাছত নুমলীগড়ত ধনশিৰি নৈৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি পাইছে। প্ৰকল্পটোৰ চাৰিওখন গে'টেৰে কেইবালাখ ঘনমিটাৰ পানী এৰি দিয়া হৈছে। অনাগত চাৰিওটা দিনত ধনশিৰি নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ পৰা আৰু ১ দশমিক ৬ - ০ মিটাৰ উচ্চতালৈ বৃদ্ধি পোৱাৰ আশংকা আছে বুলি জল আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি তথা ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰেৰণ কৰা আন্তঃমন্ত্ৰালয়ৰ দলটোৱে কালি চৰাইদেউ জিলাত অসম চৰকাৰৰ প্ৰতিনিধি আৰু শীৰ্ষ প্ৰশাসনিক বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ৰাজহ মন্ত্ৰী কেশৱ মহন্তৰ লগতে চৰাইদেউৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুৰজিত সিং পানেছাৰ, ৰাজহ বিভাগৰ বিশেষ সচিব ভাস্কৰ পেগুকে ধৰি অন্যান্য বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী কেশৱ মহন্তই এই সন্দৰ্ভত সাংবাদিকৰ আগত কয়, যে বৈঠকত নাগালেণ্ডৰ পাহাৰৰ পৰা হঠাৎ অহা প্ৰবল বানৰ প্ৰকোপ আৰু ক্ষয়-ক্ষতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়। জিলা প্ৰশাসনে উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়ে কেন্দ্ৰীয় দলটোক অৱগত কৰে। জিলা আয়ুক্তই আশ্ৰয় শিবিৰৰ ব্যৱস্থাপনা, আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতিৰ উপৰি পশুধন আৰু কৃষি ক্ষেত্ৰত হোৱা বিস্তৰ ক্ষতিৰ সবিশেষ তথ্য আলোকচিত্ৰসহ প্ৰতিনিধি দলটোৰ দৃষ্টিগোচৰ কৰে।

উল্লেখযোগ্য যে জিলা প্ৰশাসনৰ সৈতে হোৱা এই বৈঠকৰ পাছতে কেন্দ্ৰীয় দলটোৱে কালি জিলাখনৰ কেইবাটাও বান প্ৰভাৱিত এলেকা পৰিদৰ্শন কৰে। দলটোৱে আজি শিৱসাগৰ জিলাত বানত ক্ষয়-ক্ষতিৰ বুজ ল’ব।

০০০০০০

সাম্প্ৰতিক বানত ক্ষতিগ্ৰস্ত অঞ্চলৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাত অগ্ৰাধিকাৰ দি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড- APDCL-এ ৰাজ্যখনত সকলো পৰিস্থিতিতে নিৰাপদ আৰু নিৰ্ভৰযোগ্য বিদ্যুৎ সেৱা নিশ্চিত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শিৱসাগৰ, যোৰহাট, চৰাইদেউ, ধুবুৰী, বঙাইগাঁৱকে ধৰি কেইবাখনো জিলাত দেখা দিয়া বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত APDCL-এনে প্ৰচেষ্টা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে বান পৰিস্থিতি ভয়াৱহ হৈ পৰাৰ সময়ত ৰাইজৰ সুৰক্ষাত অগ্ৰাধিকাৰ দি সতৰ্কতামূলক ব্যৱস্থা হিচাপে বিভিন্ন অঞ্চলত বিদ্যুৎ যোগান বন্ধ ৰখা হৈছে। পানীৰ স্তৰ হ্ৰাস পোৱাৰ পাছতে কাৰিকৰী বিশেষজ্ঞৰ দলে বৈদ্যুতিক ব্যৱস্থাৰ বিস্তৃত পৰিদৰ্শন আৰু সুৰক্ষা নিশ্চিত কৰি সংশ্লিষ্ট অঞ্চলসমূহলৈ পুনৰ বিদ্যুৎ যোগান ধৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিদ্যুৎ যোদ্ধাসকলৰ এই অবিৰত সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰৰ বাবে এটা উচ্চ ক্ষমতা সম্পন্ন কাৰ্যবাহিনী গঠনৰ কথা ঘোষণা কৰিছে। বিশিষ্ট প্ৰযুক্তি বিশেষজ্ঞ নন্দন নীলেকানিয়ে এই কাৰ্যবাহিনীক নেতৃত্ব দিব। এটা ভিডিঅ’ বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই কাৰ্যবাহিনীয়ে পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিব আৰু ইয়াৰ প্ৰতিবেদনৰ ভিত্তিত যিমান পাৰি শীঘ্ৰে হ’বলগীয়া পৰীক্ষাসমূহৰ বিশ্বাসযোগ্যতা নিশ্চিত কৰা হ’ব। দেশৰ পৰীক্ষা ব্যৱস্থা বিশ্বাসযোগ্য, স্বচ্ছ আৰু পৰ্যাপ্ত প্ৰযুক্তিৰ ব্যৱহাৰেৰে উন্নত হোৱা উচিত বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই কাৰ্যবাহিনীত চোৰাংচোৱা ব্যুৰ’ৰ প্ৰাক্তন সঞ্চালক তপন ডেকা, ভাৰতীয় মহাকাশ গৱেষণা কেন্দ্ৰৰ প্ৰাক্তন অধ্যক্ষ এছ্ সোমনাথ, আই আই টি চেন্নাইৰ সঞ্চালক ভি কামাকটিৰ লগতে প্ৰাক্তন শিক্ষা সচিব অমিতা কাৰৱাল আৰু ল’জিষ্টিক বিশেষজ্ঞ অমৃত লাল মীনা থাকিব। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে চৰকাৰে আজি সংসদত পৰীক্ষা সম্পৰ্কীয় কঠোৰ আইনী ব্যৱস্থাৰ সৈতে জড়িত এখন নতুন আইন উত্থাপন কৰিব। শ্ৰীমোদীয়ে লগতে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বিশ্বাসযোগ্যতা অক্ষুণ্ণ ৰখা আৰু লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

লোকসভাত আজি লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) সংশোধনী বিধেয়ক ২০২৬ উত্থাপন কৰা হ’ব। এই বিধেয়কৰ জৰিয়তে লোক পৰীক্ষা (অসৎ উপায় প্ৰতিৰোধ) আইন ২০২৪ৰ সংশোধন কৰা হ’ব। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে এই বিধেয়কখন উত্থাপন কৰিব। উল্লেখযোগ্য যে যোৱা শুকুৰবাৰে কেন্দ্ৰীয় মন্ত্ৰীসভাই পৰীক্ষাত অসৎ উপায় অৱলম্বন আৰু প্ৰশ্নকাকত ফাদিল গোচৰৰ কঠোৰ শাস্তি সুনিশ্চিত কৰাৰ বাবে ফাষ্টট্ৰেক আদালত গঠনৰ খচৰা বিধেয়কত অনুমোদন জনায়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে বিষয়াসকলৰ পৰা ধুবুৰীৰ প্ৰতিমা বৰুৱা পাণ্ডে সংগ্ৰহালয়, কোচবিহাৰৰ ঐতিহাসিক

মধুপুৰ সত্ৰ, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নতুন প্ৰেক্ষাগৃহ নিৰ্মাণ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নতুন প্ৰেক্ষাগৃহ, লোকসেৱা ভৱন চৌহদৰ যান-জঁট মুক্তকৰণ আৰু উন্নীতকৰণ ব্যৱস্থাৰ বুজ লয়। তেওঁ লগতে মুম্বাই আৰু দ্বাৰকাত নতুন অসম ভৱন নিৰ্মাণ প্ৰকল্পৰো অগ্ৰগতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে ঐতিহাসিক স্থানসমূহৰ গৰিমা আৰু ৰাজ্যখনৰ ঐতিহ্য সুৰক্ষিত ৰাখি সকলো প্ৰকল্প নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

গ্লাছগ'ত চলি থকা কমনৱেল্‌থ গেমছ ২০২৬ত মীৰাবাঈ চানুৱে ভাৰোত্তোলনত দেশৰ হৈ প্ৰথমটো সোণৰ পদক লাভ কৰিছে। তেওঁ মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত মুঠ ১৯০ কিলোগ্ৰাম ভাৰ উত্তোলনেৰে অভিলেখ সৃষ্টি কৰে। ৩১ বছৰীয়া ভাৰোত্তোলকগৰাকীয়ে স্নেচত ৮৫ কিলোগ্ৰাম আৰু ক্লিন এণ্ড জাৰ্কত ১০৫ কিলোগ্ৰাম ভাৰ তুলি নতুন অভিলেখ গঢ়িবলৈ সমৰ্থ হয়। এই জয়ৰ সুবাদত চানুৱে ২০১৮ আৰু ২০২২ চনৰ পাছত একেৰাহে তৃতীয়বাৰৰ বাবে কমনৱেল্‌থ গেমছত সোণৰ পদক লাভ কৰে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মীৰাবাঈ চানুক এই কৃতিত্বৰ বাবে অভিনন্দন জনাইছে। উপ-ৰাষ্ট্ৰপতিয়ে তেওঁ নিষ্ঠা, সহনশীলতা আৰু ধাৰাবাহিক উৎকৰ্ষকতাৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বিজয়ক ভাৰতীয় ভাৰোত্তোলকৰ আন এক গৌৰৱৰ অধ্যায় বুলি অভিহিত কৰে আৰু তেওঁক প্ৰেৰণা আখ্যা দি অবিৰত সফলতা কামনা কৰে।

ভাৰোত্তোলনত ভাৰতে আৰু দুটা ৰূপৰ পদক সংযোজন কৰিছে। চনামবাম ঋষিকান্ত সিঙে পুৰুষৰ ৬০ কিলোগ্ৰাম শাখাত মুঠ ২৬৪ কিলোগ্ৰাম ভাৰ উত্তোলন কৰি দ্বিতীয় স্থান দখল কৰাৰ বিপৰীতে ৰাজা মুথুপাণ্ডীয়ে ৬৫ কিলোগ্ৰাম শাখাত মুঠ ২৮৬ কিলোগ্ৰাম ভাৰ তুলি ৰূপৰ পদক অৰ্জন কৰে। এই শিতানত মালয়েছিয়াৰ মুহম্মদ অজনীল বিন বিদিনে সোণৰ পদক লাভ কৰে।

বক্সিঙতো ভাৰতে অগ্ৰগতি লাভ কৰিছে। যদুমণি সিঙে পুৰুষৰ ৫৫ কিলোগ্ৰাম শাখাত পাকিস্তানৰ সুমামা ৰহমানক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে মহিলাৰ ৫৪ কিলোগ্ৰাম শাখাত প্ৰীতি পাৱাৰে মালয়েছিয়াৰ ডেব'ৰা এম টেন্‌জিক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

কমনৱেল্‌থ গেমছ ২০২৬ ভাৰতে বৰ্তমানলৈ এটা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে মুঠ চাৰিটা পদক লাভ কৰিছে। প্ৰতিযোগিতাৰ প্ৰথম দিনাই পেৰা ভাৰোত্তোলক ঝণ্টু কুমাৰে ব্ৰঞ্জৰ পদক লাভ কৰি ভাৰতৰ পদকৰ তালিকা মুকলি কৰিছিল।

০০০০০০

উজনিৰ বানত দুই হাজাৰ কোটিৰ ক্ষতি, চৰাইদেউ, নাজিৰা, শিৱসাগৰ, ডিমৌৰ বানাক্ৰান্ত অঞ্চলত মন্ত্ৰী সিংহাল, বান সাহায্যৰ আশাত পুৱাৰ পৰা নিশালৈ ৰাজপথত অপেক্ষা শ শ লোকৰ আদি ভিন ভিন শিৰোণামেৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ৰাজ্যৰ শেহতীয়া বানৰ বাতৰি প্ৰকাশ কৰিছে। বানপীড়িত ২ লাখ শিশু-মহিলাক বিজেপিয়ে টি ছাৰ্ট আৰু মেখেলা চাদৰ দিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক অসম** কাকতে- ৪ লাখ মহিলা-শিশুক দিব কাপোৰ, বিজেপিয়ে সংগ্ৰহ কৰিব ১২ কোটি টকা- এই শিৰোনামেৰে প্ৰকাশ কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টেলিফোনযোগে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে ৰাজ্যৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ বাতৰি ডা চেন্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দেশৰ পৰীক্ষা ব্যৱস্থাৰ আমূল সংস্কাৰৰ লক্ষ্যৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাৰ্যবাহিনী

গঠন কৰাৰ বাতৰিটো **ডি আছাম ট্ৰিবিউন** আৰু **আমাৰ অসম** কাকতৰ লগতে আন আন কাকতসমূহেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। নেপালত ২০০ আৰু ৫০০ টকীয়া ভাৰতীয় নোট পুনৰ বৈধ হোৱাৰ ফলত পৰ্যটকে বৃহৎ সকাহ নাভ কৰাৰ বাতৰি এটা **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। মাউন্ট এভাৰেষ্টৰ শিখৰ আৰোহণ কৰা অসমৰ প্ৰথমগৰাকী মহিলা ৰূপামণি গড়ক লোকসেৱা ভৱনত কালি মুখ্যমন্ত্ৰীয়ে সম্বৰ্ধনা জনোৱাৰ বাতৰি **দৈনিক জনমভূমি** আৰু **নিয়মীয়া বাৰ্তা** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত স্থান দিছে। আজিৰ কাৰ্বি পাহাৰসহ অসমৰ বহু অংশ একালত সাগৰহে আছিল-নাগালেণ্ড বিশ্ববিদ্যালয়ৰ ভূতত্ব বিভাগৰ শেহতীয়া এক অধ্যয়ণত এই তথ্য পোহৰলৈ অহাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতখনে সবিস্তাৰে প্ৰকাশ কৰিছে।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজত হাৰাৰেত অনুষ্ঠিত তৃতীয় তথা অন্তিমখন টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত কালি জিম্বাব'ৱেক ৩৫ ৰানত পৰাস্ত কৰি ভাৰতে তিনিখনীয়া শৃংখলাটো দখল কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১৯২ ৰান কৰে। দলৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৪৯টা বলত সৰ্বাধিক ৮১ ৰান কৰাৰ লগতে ঈষাণ কিষাণে ২৯ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত জিম্বাব'ৱেই নিৰ্ধাৰিত অভাৰত ৭টা উইকেট হেৰুৱাই ১৫৭ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ মায়ংক যাদৱে তিনিটা আৰু য়শ ঠাকুৰে দুটা উইকেট লাভ কৰে।

ইপিনে এই তিনিখনীয়া শৃংখলাটো দখল কৰি ভাৰতে আই চি চি টি-২০ আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙত প্ৰথমস্থানলৈ উন্নীত হৈছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ  লগতে মেঘালয়, নাগালেণ্ড আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**